**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। দিল্লীৰ নিগমবোধ ঘাটত আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ ৰাষ্ট্ৰীয় মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া। সমাধি নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ভূমি আৱণ্টন।
২। নৱ গঠিত বিধানসভা সমষ্টিৰ ভিত্তিত আজি ৰাজ্যৰ ৫ লক্ষাধিক হিতাধিকাৰীক নতুন ৰেচন কাৰ্ড প্ৰদান।
৩। পাৰস্পৰিক বদলিৰ বাবে পহিলা জানুৱাৰীৰ পৰা প'ৰ্টেল মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
৪। ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনত প্ৰধানমন্ত্ৰী উপস্থিতিত ৮ হাজাৰ নৃত্য শিল্পীয়ে ঝুমুৰ নৃত্য পৰিৱেশন কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা। *আৰু*
৫। ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টত ভাৰতৰ নিম্ন ক্ৰমাংকৰ খেলুৱৈৰ সংগ্ৰাম অব্যাহত।

০০০০০০

বৃহস্পতিবাৰৰ নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন কৰা হ'ব। ইয়াৰ আগতে তেওঁৰ নশ্বৰ দেহ পুষ্প সজ্জিত বাহনেৰে শোভাযাত্ৰা কৰি মতিলাল নেহৰু মাৰ্গৰ বাসভৱনৰ পৰা আকবৰ ৰোডত থকা কংগ্ৰেছ মুখ্য কাৰ্যালয়লৈ নিয়া হ'ব আৰু ইয়াতে দলীয় নেতা-কৰ্মীসকলে প্ৰয়াত নেতাগৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰিব। কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে প্ৰকাশ কৰা অনুসৰি আকবৰ ৰোডৰ মুখ্য কাৰ্যালয়ৰ পৰা পুৱা চাৰে ৯ বজাত ড০ মনমোহন সিঙৰ অন্তিম যাত্ৰা আৰম্ভ হ'ব। দিল্লীৰ বিভিন্ন পথেৰে উলিওৱা এই অন্তিম যাত্ৰাৰ চলন্তবিৱৰণী আকাশবাণীয়ে দিনৰ ১১ বজাৰ পৰা প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ লগতে ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই এই অনুষ্ঠান ৰিলে কৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ড০ মনমোহন সিঙৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যদাৰে সম্পন্ন কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীসভাই ইতিমধ্যে প্ৰয়াত প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ সমাধি নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত এই কথা প্ৰকাশ কৰি কয়, যে কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই কৰা অনুৰোধ মৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকে দিল্লীৰ এডোখৰ সুবিধাজনক স্থানত ইয়াৰ বাবে ভূমি আৱণ্টনৰ সিদ্ধান্ত লয়।

০০০০০০

নৱগঠিত বিধানসভা সমষ্টিৰ ভিত্তিত নতুন ৰেচন কাৰ্ড বিতৰণৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ কাৰ্যসূচী আজি ৰাজ্যৰ কেইবাখনো জিলাত অনুষ্ঠিত হ'ব। ধুবুৰী, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, কামৰূপ, নলবাৰী, বাক্সা, ওদালগুৰি, দৰং, মৰিগাঁও, নগাঁও আৰু লখিমপুৰত হ'বলগীয়া অনুষ্ঠানত হিতাধিকাৰীসকলৰ মাজত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। নতুন হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত অহা বৰ্ষৰ জানুৱাৰীৰ পৰাই বিনামূলীয়া চাউল লাভ কৰিব। ধুবুৰী জিলাৰ গোলকগঞ্জ, গৌৰীপুৰ, ধুবুৰী, বিৰছিং

জাৰুৱা, বিলাসীপাৰা আদি সমষ্টিত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। গোৱালপাৰা জিলাৰ দুধনৈ, জলেশ্বৰ, পূব  আৰু পশ্চিম গোৱালপাৰা সমষ্টিত হিতাধিকাৰীৰ মাজত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। বঙাইগাঁও জিলাতো অভয়াপুৰী, সৃজনগ্ৰাম, বঙাইগাঁও সমষ্টিৰ লগতে বৰপেটা জিলাৰ বৰপেটা, বেটবাৰী, মন্দিয়া, চেংগা আদি সমষ্টিত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। কামৰূপ জিলাৰ ছমৰীয়া, নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টি আৰু বাক্সাৰ মানস সমষ্টিত এই ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। ওদালগুৰি জিলাৰ ভেৰগাঁও, ওদালগুৰি, মাজবাট, টংলা সমষ্টিৰ লগতে দৰং জিলাৰ ছিপাঝাৰ, মঙলদৈ, দলগাঁও আদি সমষ্টিত ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। মৰিগাঁও জিলাৰ জাগীৰোড, লাহৰীঘাট, মৰিগাঁও সমষ্টিৰ লগতে নগাঁও জিলাৰ ধিং, ৰূপহীহাট, কলিয়াবৰ, চামগুৰি, বঢ়মপুৰ, নগাঁও-বটদ্ৰৱা আৰু ৰহা সমষ্টিত ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। লখিমপুৰ জিলাৰ ৰঙানদী আৰু নাওবৈচাতো সমষ্টিভিত্তিত নতুন ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। এই আটাইকেইখন জিলাৰে আটাইবোৰ সমষ্টিত মুঠ ৫ লাখ ১৫ হাজাৰ ২০৯ গৰাকী হিতাধিকাৰীলৈ এই পৰ্যায়ত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব।

০০০০০০

পহিলা জানুৱাৰীৰ পৰা পাৰস্পৰিক বদলিকৰণৰ বাবে পোৰ্টেল মুকলি হ'ব। এই পোৰ্টেল পহিলা জানুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ খোলা থাকিব। এই সময়ছোৱাতে আবেদন দাখিল, আবেদনৰ সত্যাসত্য নিৰূপনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব আৰু তাৰ পাছত  আবেদনসমূহ স্বয়ংক্ৰিয়ভাৱে পোৰ্টেলত পাৰস্পৰিক বদলিকৰণৰ বাবে মুকলি কৰি দিয়া হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে  এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা মতে এই পোৰ্টেলত আবেদন কৰাৰ পাছত একে বিভাগৰ আৰু একেই পে' স্কেলৰ কৰ্মচাৰীৰ মাজত বদলিকৰণৰ প্ৰচেষ্টা কৰা হ'ব। নিকাভাৱে এই প্ৰক্ৰিয়া সম্পন্ন কৰা হব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ বাৰ্ষিক অধিৱেশন আৰু পূৰ্ণাংগ নাট প্ৰতিযোগিতা আজিৰ পৰা দুদিনীয়াকৈ মঙলদৈ চহৰত অনুষ্ঠিত হ'ব। অসম নাট্য সন্মিলনৰ দৰং জিলা সমিতিৰ উদ্যোগত আৰু মঙলদৈ শাখাৰ আতিথ্যত এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। স্বৰ্ণপীঠ মণ্ডলৰ অধীনৰ ৮ খন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিবলগীয়া এই অধিৱেশনত পূৰ্ণাংগ নাট প্ৰতিযোগিতা, একক অভিনয়, মুকাভিনয়, চিত্ৰাংকন প্ৰতিযোগিতা আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনত ৮ হাজাৰ নৃত্য শিল্পীয়ে ঝুমুৰ নৃত্য পৰিৱেশন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি লগতে কয়, যে এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলন আৰু আন্তঃগাঁথনি ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ঘৰুৱা তথা বিদেশ বিনিয়োগকাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত হ'ব। অসমৰ বৰ্তমানৰ পৰিৱৰ্তিত পৰিৱেশ তথা দৃশ্যপট তেওঁলোকৰ আগত উপস্থাপন কৰাৰ লক্ষ্য লোৱা বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।০০০০

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৭ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

মহানগৰীৰ অগ্ৰণী সংস্থা **নাৰী সাৰস্বত মঞ্চই** কাইলৈ ক্ষীৰোদা চৌধুৰী সোঁৱৰণী ষষ্ঠ বাৰ্ষিক সদৌ অসম ভিত্তিত ছাত্ৰীৰ কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতা কটন বিশ্ববিদ্যালয়ৰ এলামনাই ভৱনত অনুষ্ঠিত হ'ব। **বিশ্বৰ সফল নাৰী** বিষয়ক কুইজ প্ৰতিযোগিতাখনত নৱম শ্ৰেণীৰ পৰা গৱেষক ছাত্ৰীলৈ বাবে মুকলি থাকিব। চূড়ান্ত প্ৰতিযোগিতালৈ নিৰ্বাচিত হোৱা ৬টা দলক ক্ৰমে ৮ হাজাৰ, ৬ হেজাৰ, ৪ হাজাৰ, আঢ়ৈ হাজাৰ, ২হেজাৰ আৰু ডেৰ হাজাৰ টকাৰ নগদ ধনৰ লগতে ট্ৰফী আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব। চূড়ান্ত প্ৰতিযোগিতালৈ নিৰ্বাচিত নোহোৱা ছাত্ৰীসকলৰ মাজত সৰ্বাধিক শুদ্ধ উত্তৰ দিয়া দুগৰাকী ছাত্ৰীক শ্ৰেষ্ঠ দৰ্শকৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব। কুইজ প্ৰতিযোগিতাখনত যোগদান কৰিবলৈ ইচ্ছুক প্ৰতিযোগিতয়ে ৬০০১৮৭৬৬৮১ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অসম গ্ৰন্থমেলা-২০২৪ কালিৰ পৰা আৰম্ভ হৈছে। কাৰ্যসূচী অনুসৰি আজি দুপৰীয়া সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই গ্ৰন্থ প্ৰকাশক, বিক্ৰেতা সন্মিলনক সম্বৰ্ধনা জনাব। বিয়লি ২ বজাত গ্ৰন্থপ্ৰকাশৰ দায়বদ্ধতা, প্ৰচাৰ আৰু কৌশল অৱলম্বন বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে অন্তৰংগ আলাপ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ড০ সমুদ্ৰগুপ্ত কাশ্যপে পৰিচালনা কৰিবলগীয়া এই অন্তৰংগ আলাপ কাৰ্যসূচীত অধ্যাপক, বিশিষ্ট লেখক, সাংবাদিক হিন্দোল সেনগুপ্ত অতিথি হিচাপে উপস্থিত থাকিব।০০০০০

০০০০০০

ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত কালি অসম সাহিত্য সভাৰ ১০৮ বছৰীয়া প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। অনুষ্ঠানত জিলা সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইয়ে পতাকা উত্তোলন কৰি অসম সাহিত্য সভা অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ অনবদ্য অংগ হৈ থাকিব বুলি মন্তব্য কৰে। ইপিনে অনুষ্ঠানত জিলা সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁইয়ে ডিব্ৰুগড় সাহিত্য সভাই দেশৰ বিভিন্ন ৰাজ্যৰ লগতে প্ৰায় ৩৩ দেশৰ সৈতে বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ জৰিয়তে অসমীয়া ভাষা সাহিত্য সংস্কৃতিক অধিক আগুৱাই নিবলৈ চলোৱা প্ৰয়াসৰ বিষয়ে জানিবলৈ দিয়ে।

০০০০০০

সমগ্ৰ শিক্ষা অসম আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত মাজুলীত অহা ৩ জানুৱাৰীত জিলা পৰ্যায়ৰ বিজ্ঞান অনুসন্ধান শিশু বিজ্ঞান সমাৰোহৰ আয়োজন কৰা হৈছে। মাজুলী জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ আয়োজক সমিতি আৰু মাজুলী জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সহযোগত বেঙেনাআটী ৰমাকান্ত দেব উচ্চ মাধ্যমিক বিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষাৰ্থীৰ মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত আয়োজিত এই

প্ৰতিযোগিতাৰ বিষয়বস্তু হৈছে- বহনক্ষম উন্নয়নৰ বাবে পৰম্পৰাগত জ্ঞান পদ্ধতি। এই সমাৰোহৰ পৰা ৰাজ্যিক পৰ্যায়ৰ সমাৰোহলৈ প্ৰকল্পসমূহ বাছি উলিওৱা হ'ব। সমাৰোহৰ জিলা সমন্বয়ক লোহিত শইকীয়াই ৩০ ডিচেম্বৰৰ ভিতৰত ইচ্ছুক শিক্ষাৰ্থীসকলক তেওঁলোকৰ প্ৰকল্পবোৰ মাজুলীৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰত জমা দিবলৈ আহ্বান জনাইছে।

০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ দেহাৱসানত বিৰাজ কৰা শোকাকুল পৰিৱেশ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে কৰা কেইবাটাও বিশেষ ঘোষণা, আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰস্তুতি আদিৰ খবৰ আজিৰ গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

অসমীয়া প্ৰতিদিন কাকতে **কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠক, দেশজুৰি সাতদিনীয়া শোক ঘোষণা, আজি নিগমবোধ ঘাটত হ'ব ড০ মনমোহন সিঙৰ শেষকৃত্য** আৰু **প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ বিয়োগত বিশ্বজুৰি শোকৰ ছাঁ,** শিৰোনামেৰে ড০ সিঙৰ বিয়োগ সম্পৰ্কীয় দুটা বাতৰিক প্ৰথম পৃষ্ঠাত আগস্থান দিছে। বাতৰিটো দা আছাম ট্ৰিবিউন কাকতে **MANMOHAN SINGH TO BE CREMATED TODAY, TRIBUTES POUR IN FOR FORMER PRIME MINISTER** শিৰোনামেৰে আৰু নিয়মীয়া ববাৰ্তা কাকতে **দিল্লীৰ বাসভৱনত প্ৰয়াত ড০ মনমোহন সিঙক অন্তিম শ্ৰদ্ধা জ্ঞাপন ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ** প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে অসমৰ সৈতে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সম্পৰ্কক আলোকপাত কৰি **শান্তি প্ৰতিষ্ঠাৰ পৰা নাগৰিক পঞ্জী উন্নীতকৰণলৈ লৈছিল সক্ৰিয় ভূমিকা, অসমৰ উন্নয়নৰ অন্যতম ৰূপকাৰ** শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক দা ছেন্টিনেল কাকতে **MANMOHAN SINGH AND HIS ASSAM LINK** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে **বিধানসভা সমষ্টি ভিত্তিত অগপৰে মিত্ৰতা কৰিব গেৰুৱা দলে, পঞ্চায়ত নিৰ্বাচনৰ ব্লুপ্ৰিণ্ট প্ৰস্তুত বিজেপিৰ** শিৰোনামেৰে এটা ৰাজনৈতিক বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সমাগত ইংৰাজী নতুন বৰ্ষত ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলৰ পৰিয়ালৰ সুৰক্ষাৰ বাবে বিশেষ বীমা আঁচনি, চৰকাৰী কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলি, এডভাণ্টেজ আছামৰ কাৰ্যসূচী সম্পৰ্কীয় বিভিন্ন সিদ্ধান্ত তথা পৰিকল্পনাৰ কথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰাৰ বাতৰি এটা অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

২৪ ডিচেম্বৰত গুৱাহাটীৰ গাৰিগাঁও অঞ্চলৰ পৰা সন্ধানহীন হোৱা এগৰাকী স্কুলীয়া ছাত্ৰী আৰু এজন গাড়ীচালকৰ মৃতদেহ জালুকবাৰী আৰক্ষী চকীৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ গাৰিগাওঁ ঘাটত উদ্ধাৰ হোৱা ঘটনা সম্পৰ্কীয় এটা বাতৰি আমাৰ অসম, দৈনিক অগ্ৰদূতকে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি উভতি আহিছো জিণ্টি ৰাণী ডেকাৰ ওচৰলৈ।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সংবাদমাধ্যমৰ প্ৰচাৰবিমুখ তিনিগৰাকী ব্যক্তিৰ সৈতে আলোচনাৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত দৃষ্টিবাধিতসকলৰ বাবে নিৰলসভাৱে কাম কৰি অহা সংগঠন কেয়াৰ ইউ-থ্ৰী ছিক্সটি ফাইভ নামৰ স্বেচ্ছাসেৱী

সংগঠনটোৰ প্ৰতিষ্ঠাপক ভৃগু বৰঠাকুৰ, সমাজৰ অৱহেলিত তথা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাবে কাম কৰি অহা সংগঠন হেল্প এইড ফাউণ্ডেচনৰ অধ্যক্ষ অঞ্জুলিনা দেৱ চৌধুৰী আৰু বাটে-পথে অৱহেলিত-অনাদৃত হৈ ঘূৰি ফুৰা কুকুৰ-মেকুৰী প্ৰতিপালন কৰা সংগঠন অভিনৰ প্ৰয়াসৰ অধ্যক্ষ উৰ্মিমালা দাসৰ সৈতে হোৱা কথা-বতৰা শুনিবলৈ পাব। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত ফোন কৰি তিনিওগৰাকী অতিথিৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০

অসম এথলেটিকছ্ সন্থাৰ উদ্যোগত, মৰিগাঁও জিলা ক্ৰীড়া সন্থা আৰু জিলা প্ৰশাসনৰ সহযোগত কালিৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে মৰিগাঁও চহৰৰ ক্ষীৰোদ বৰা ষ্টেডিয়ামত আন্তঃজিলা এথলেটিকছ্ প্ৰতিযোগিতা আৰম্ভ হৈছে। এই প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন জিলাৰ ডেৰ হাজাৰৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। আজি পুৱা ৭ বজাৰ পৰা এথলেটিকছৰ বিভিন্ন পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হৈছে। —- বাইট——

০০০০০০

ভাৰতৰ নিম্ন ক্ৰমাংকৰ খেলুৱৈসকলে বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টত সংগ্ৰাম অব্যাহত ৰাখিছে। আজি খেলখনৰ তৃতীয় দিনা আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ভাৰতে ৭ উইকেটৰ বিনিময়ত ২৯৪ ৰান সংগ্ৰহ কৰিছে। নীতিশ কুমাৰ ৰেড্ডীয়ে ৬২ আৰু ৱাশ্বিংটন সুন্দৰে ৩৩ ৰাণ কৰি খেলি থকা এই মুহূৰ্তত ভাৰত প্ৰথম ইনিংছত ১৮০ ৰাণত পিছপৰি আছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৭৪ ৰাণৰ প্ৰত্যুত্তৰত খেলিবলৈ নমা ভাৰতৰ অপেনাৰ য়শস্বী জয়ছোৱালে ৮২ ৰাণ কৰাৰ বাহিৰে আন খেলুৱৈসকলে বিশেষ অৰিহণা যোগোৱাত বিফল হয়।

উল্লেখযোগ্য যে ৫ খন খেলৰ শৃংখলাটোত এইপৰ্যন্ত দুয়োটা দলে এখনকৈ খেলত বিজয় অৰ্জন কৰিছে।

০০০০০০

সমাপ্ত